অসম চৰকাৰ

# বিশ্ব বেংকৰ সাহায্যপ্ৰাপ্ত



শ্ৰীযুত সৰ্বানন্দ সোণোৱাল
মুখ্যমন্ত্ৰী, অসম চৰকাৰ



ডঃ হিমন্ত বিশ্ব শৰ্মা
বিত্ত মন্ত্ৰী, অসম চৰকাৰ

## অসম ৰাজ্যিক ৰাজহুৱা বিত্তীয় সংস্থাগত সংস্কাৰ (ASPIRe) প্ৰকল্প

## কি ? কিয় ?

## কেনেকৈ ?

Contact: aspirepmu@gmail.com

অসম ৰাজ্যিক ৰাজহুৱা বিত্তীয় সংস্থাগত সংস্কাৰ (ASPIRe) হ'ল ৰাজ্যৰ ৰাজহুৱা বিত্ত ব্যৱস্থাপনাৰ পৰিৱৰ্তন সাধনৰ লক্ষ্যৰে বিশ্ব বেংকৰ সাহায্য প্ৰাপ্ত এটা প্ৰকল্প। এই প্ৰকল্পৰ অধীনত অসম চৰকাৰে দীৰ্ঘকালীন প্ৰতিষ্ঠানিক সংস্কাৰ যেনে, সুসংগত কৰ্মপ্ৰবাহ, অপ্ৰয়োজনীয় ব্যৱস্থা বাতিল কৰণ আৰু আধুনিক বিত্তীয় ব্যৱস্থাপনাৰ প্ৰস্তাৱ গ্ৰহণ কৰি ৰাজহ আৰু ব্যয় ব্যৱস্থাটোৰ সম্পূৰ্ণ পুনঃনিৰ্মাণৰ বাবে অগ্ৰসৰ হৈছে। এই প্ৰস্তাৱ পত্ৰই পঢ়ুৱৈক বিত্ত বিভাগৰ ইতিহাস, ইয়াৰ পটভূমি আৰু সংস্কাৰৰ প্ৰয়োজনীয়তা আৰু ASPIRe প্ৰকল্পটোৰ এটি চমু আভাস দিয়ে।

## সময়ৰ বিৱৰ্তনত বিত্ত বিভাগ

স্বাধীনতাৰ পূৰ্বে অসমৰ বিত্ত বিভাগটো গঠিত আছিল মাত্ৰ দুটা ভাগেৰে- 'বিত্ত' আৰু 'বাজেট'। সমগ্ৰ পৰিবৰ্ত্তনৰ প্ৰবাহত অসমৰ অৰ্থনৈতিক বিকাশৰ লগে লগে বিত্ত বিভাগৰ পৰিসৰ বিভিন্ন শাখা-প্ৰশাখাৰে বিস্তৃত হৈ পৰিল। এই পৰিবৰ্তনৰ সৈতে সংগতি ৰাখিবলৈ সম্প্ৰতি বিত্ত বিভাগ মুঠ ১২ (বাৰ) টা শাখালৈ সম্প্ৰসাৰিত।

## আপুনি জানিছিলনে ?

(১) ভাৰতবৰ্ষত প্ৰথম বাজেট ব্যৱস্থা আৰম্ভ হৈছিল ৭ এপ্ৰিল, ১৮৬০ চনত।

(২) মিঃ জেমচ উইলচন আছিল ভাৰতবৰ্ষৰ প্ৰথম বিত্তীয় সদস্য (মন্ত্ৰীৰ সমপৰ্য্যায়ৰ) আৰু তেওঁ ১৮ ফেব্ৰুৱাৰী ১৯৫৯ তাৰিখে প্ৰথম বাজেট ভাষণ পাঠ কৰিছিল।

(৩) স্বাধীনতা পূৰ্বক ভাৰতবৰ্ষৰ প্ৰথম বিত্তমন্ত্ৰী শ্ৰী আৰ কে শানমুঘম চেট্টীয়ে ২৬ নৱেম্বৰ, ১৯৪৭ তাৰিখে প্ৰথম বাজেট উত্থাপন কৰে।

## ভূমিকা আৰু কৰ্মসূচী

কাৰ্য্যকৰী বিষয়, অসমৰ নিয়মাৱলী, ১৯৬৮ (Assam Rules of Executive Business, 1968) ৰ ৩৩ নং দফাত অসম চৰকাৰৰ বিত্ত বিভাগৰ ভূমিকা আৰু কাৰ্যসূচীৰ বিৱৰণ আছে।

অসম চৰকাৰৰ অধীনস্থ কৰ্মচাৰী সমূহৰ দা-দৰমহা, চুটি আৰু পেঞ্চন সম্পৰ্কীয় নিয়মাৱলীৰ লগতে পদ সৃষ্টি অথবা বাতিল, পদৰ সংখ্যা, পদৱী আৰু ভাত্তা সম্পৰ্কীয় নীতি-নিয়ম প্ৰণয়ন আদিয়েই হ'ল বিত্ত বিভাগৰ মূল কৰ্মসূচী। ৰাজ্য চৰকাৰৰ দ্বাৰা অনুমোদিত ঋণ আৰু গ্ৰহণ কৰা ঋণ ইত্যাদিক বিত্তীয় দৃষ্টিকোণেৰে বিবেচনা কৰি পৰামৰ্শ আগবঢ়োৱাটোও হ'ল বিত্ত বিভাগৰ এটা মূল কাৰ্যসূচী। ইয়াৰ উপৰিও বিত্ত বিভাগে কৰ আৰোপন, কৰ হ্ৰাস পৰীক্ষাকৰণ, প্ৰতিবছৰৰ মুঠ প্ৰাপ্তি আৰু বিতৰণৰ অনুমান প্ৰস্তুতিকৰণ আৰু চৰকাৰৰ হাতে জমা আৰু তাৰ পন্থাৰ অভিযান কাৰ্যকৰীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰে।

বাজেট প্ৰস্তুতিও হ'ল বিত্ত বিভাগৰ এটা মূল কাৰ্য্যসূচী, ই বাজেটৰ জৰিয়তে ৰাজহ ব্যয়, অতিৰিক্ত ব্যয়, প্ৰবিৱৰণ ইত্যাদি প্ৰস্তুত কৰে আৰু প্ৰতিবছৰে বিধান সভাত দাখিল কৰে।

## আপুনি জানিছিল নে ?

- বৃটিছ ইণ্ডিয়াৰ প্ৰথম প্ৰধানমন্ত্ৰী চাৰ চৈয়দ মহম্মদ চাদুল্লাই ৩ আগষ্ট, ১৯৩৭ তাৰিখে অসমৰ বাবে প্ৰথম বাজেট দাখিল কৰিছিল।
- স্বাধীনতাৰ পিছত অসমৰ প্ৰথম বিত্ত মন্ত্ৰী স্বৰ্গীয় বিষ্ণুৰাম মেধীয়ে ১১ মাৰ্চ ১৯৪৮ তাৰিখে অসমৰ বাবে প্ৰথমখন বাজেট দাখিল কৰে।

## সংস্কাৰৰ প্ৰয়োজনীয়তা

২০১৬ চনত উত্থাপন কৰা 'শ্বেতপত্ৰ' ই চিনাক্ত কৰিছিল যে —"যেতিয়া বাজেটৰ আকাৰ বেলুনসদৃশ হয়, ইয়াৰ বিত্তীয় পোষণৰ বিষয়ে পাহৰা যায়, যাৰ ফলত বাজেটৰ বিশ্বাসযোগ্যতা হ্ৰাস পায়" আৰু এই পত্ৰই বাজেটৰ পৱিত্ৰতাক পুনঃস্থাপনৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰিছিল।

উচ্চ স্তৰীয় প্ৰতিবেদন "Reform Committee on Planning & Budgeting in Assam (July, 2016)" "অসমত পৰিকল্পনা আৰু বিত্তীয় পোষণ সংস্কাৰ সমিতি, (জুলাই, ২০১৬)" ই-বাজেট, ২০১৬-২০১৭ ক তিনিটা সূক্ষ্ম বিষয় চিনাক্ত কৰি দিয়েঃ


(১) পৰ্য্যাপ্ত সম্পদৰ অবিহনে নিৰ্মিত অভিলাষী আৰু অবাস্তৱিক বাজেট, যিয়ে চৰকাৰক অত্যাধিক নিয়ন্ত্ৰণ প্ৰয়োগ কৰাত বাধ্য কৰে।

(২) সম্পদ সংগ্ৰহণৰ আৱশ্যকতা— নতুন পথৰ দ্বাৰা কৰ বৃদ্ধিৰ জৰিয়তে আৰু বুদ্ধিদীপ্ত আবন্তনৰ দ্বাৰা কৰা সঞ্চয় আৰু

(৩) বিভাগসমূহত আঁচনিসমূহৰ প্ৰতিলিপিকৰণ ৰোধৰ বাবে সন্মিলিত কাৰ্য্যক্ৰম।

যদিও ৰাজ্যখনৰ ব্যয় বাজেট ২০১১-২০১২ আৰু ২০১৫-১৬ ৰ ভিতৰত ৮৮ শতাংশ বৃদ্ধি হৈছে, কিন্তু পৰ্য্যাপ্ত সম্পদৰ সমৰ্থন অবিহনে ই বাস্তৱতাৰ পৰা বহু নিলগত। ফলস্বৰূপে ৰাজহ আৰু ব্যয়ৰ ক্ষেত্ৰত মূল বাজেট আৰু আচল ব্যয়ৰ মাজৰ ব্যৱধান প্ৰায় ২৫ শতাংশ। অসমৰ বিত্তৰ চাৰিত্ৰিক বিশেষত্ব হ'ল নিম্ন নিজস্ব উৎসৰ ৰাজহ যি মুঠ ৰাজহৰ প্ৰায় ৩০ শতাংশ আৰু কেন্দ্ৰীয় কৰ আৰু কেন্দ্ৰীয় অনুদানৰ হস্তান্তকৰণৰ জৰীয়তে কেন্দ্ৰীয় সাহায্যৰ ওপৰত অধিক নিৰ্ভৰশীলতা। অন্যহাতে, দৰমহা, পেঞ্চন, সুদৰ খৰচৰ বাবদ বৰ্দ্ধিত প্ৰতিবদ্ধ ব্যয় বহন কৰিবলৈ ৰাজহৰ পৰিমাণ বহু কম যাৰ ফলত উন্নয়নমূলক ব্যয়ৰ বাবে সীমিত স্থল বাছি থাকে। ইয়াৰ উপৰিও, Public-Private-Partnership (PPP) mode (ৰাজহুৱা খণ্ড-ব্যক্তিগত খণ্ডৰ মিত্ৰজোট) ৰ জৰিয়তে অসম চৰকাৰৰ অতিৰিক্ত সম্পদ বৃদ্ধিৰ যি প্ৰয়াস, নীতি, গাঁথনি, প্ৰতিষ্ঠানিক ক্ষমতাৰ ব্যৱধানৰ সংযোজনৰ বাবে আকাংক্ষিত স্তৰ লাভ কৰিব পৰা নাই।

অসমত ঋতুসমূহ হ'ল বাজেট কাৰ্যকাৰিতাৰ অন্যতম কাৰক, বিশেষকৈ উন্নয়নমূলক কামৰ কাৰ্য্যকৰীকৰণৰ। উল্লেখিত প্ৰতিবন্ধকতাসমূহৰ বাবে ব্যয়ৰ তীব্ৰতা বিত্তীয় বৰ্ষৰ শেষৰ ত্ৰৈমাষিক/মাহ বৃদ্ধি পায়। ২০১৪-২০১৬ ৰ শেষৰ ত্ৰৈমাষিকৰ প্ৰতিবেদনত নিৰ্বাচিত ৰাজ্যকেইখনৰ স্বনিয়ন্ত্ৰিত ব্যয়ৰ এক তুলনাত্মক বিশ্লেষণে প্ৰকাশ কৰিছে যে অসমত শেষৰ ত্ৰৈমাষিকসেই ব্যয়সমূহ (৫৫ শতাংশ) অন্য ৰাজ্যতকৈ বহু পৰিমাণে বেছি (তলৰ ছবি চাওঁক)। এনে তীব্ৰতামূলক ব্যয়ে আভ্যন্তৰীণ নিয়ন্ত্ৰণ পদ্ধতিৰ অৱজ্ঞা কৰাৰ আশংকা আনে।




## সংস্কাৰৰ দিশলৈ

অসম চৰকাৰে (তথ্য প্ৰযুক্তিক মূল হোতা হিচাবে লৈ) “ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনাৰ সবলীকৰণ আৰু আধুনিকীকৰণ”ক সংস্কাৰৰ প্ৰধান কাম হিচাপে চিনাক্তকৰণ কৰিছে। নতুন চৰকাৰৰ ১০০ দিনৰ কাৰ্যসূচীৰ অংশ হিচাপে বিত্ত বিভাগে কেইবাটাও জৰুৰী প্ৰক্ৰিয়াৰ সংকীৰ্ণতা আতৰোৱাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে, যেনে – FOC ৰ বৈদ্যুতিন অনুমোদন CTMIS আৰু Central Bank E-Kuber Payment ৰ একীকৰণ, online দৰমহা Bill প্ৰস্তুতিকৰণ, স্ব-চালিত বাজেট একীকৰণ আৰু কোষাগাৰ বিধি আৰু বিত্তীয় ক্ষমতা আৰোপৰ updation।

## ASPIRe প্ৰকল্পৰ আৰম্ভণি

উপৰত উল্লেখ কৰাৰ দৰে নৱ-নিৰ্বাচিত অসম চৰকাৰে ৰাজ্যখনৰ সম্ভাব্যতা তথা অন্তৰ্নিহিত শক্তি উন্মুক্ত কৰিবলৈ সংৰচিত সংস্কাৰৰ ওপৰত গুৰুত্ব দি আহিছে। এই ক্ষেত্ৰত চৰকাৰে বিভিন্ন উপায় অৱলম্বন কৰিছে। যথাসময়ত এইটো চৰকাৰক অৱগত কৰা হৈছিল যে PFM সংস্কাৰৰ ক্ষেত্ৰত বিশ্ব বেংকৰ গুৰুত্বপূৰ্ণ গোলকীয় আৰু স্থানীয় বিশ্লেষণাত্মক জ্ঞান অসম চৰকাৰৰ সংস্কাৰৰ প্ৰাধান্যতাক সমৰ্থন কৰিবলৈ ।

এই পটভূমিতে ASPIRe প্ৰকল্প গ্ৰহণ কৰা হৈছিল। পৰ্য্যায়ক্ৰমে এই প্ৰকল্পৰ সকলো দিশ চালি জাৰি চাই, এটি বিস্তৃত প্ৰকল্প টোকা বিশ্ব বেংকৰ সঞ্চালক মণ্ডলীৰ হাতত দাখিল কৰা হৈছিল। বিগত জুন মাহত সঞ্চালক মণ্ডলীয়ে এই প্ৰকল্পটো গ্ৰহণ কৰে আৰু পৰৱৰ্তী পৰ্য্যায়ত বিশ্ব বেংক আৰু ভাৰত চৰকাৰৰ মাজত ৪৪ মিলিয়ন ডলাৰৰ এই প্ৰকল্পটোৰ ঋণ চুক্তি স্বাক্ষৰিত হয়।



## ASPIRe প্ৰকল্পৰ সামগ্ৰিক উদ্দেশ্যাৱলী

বিত্ত, কৰাৰোপন আৰু আবকাৰী বিভাগৰ কাৰ্যৱলীৰ ৰূপান্তৰিতকৰণত এই প্ৰকল্পই, এক মুখ্য ভূমিকা গ্ৰহণ কৰিব। বৈদ্যুতিন আদায়কৰণ, সেৱা সংগ্ৰহ, স্বচ্ছ ৰাজহুৱা ক্ৰয় আৰু উন্নত কৰ আদায় সেৱা আদিৰ দক্ষ প্ৰক্ৰিয়া আৰু উন্নত সেৱা প্ৰদানৰ মাজেৰে ৰাজ্যৰ নাগৰিকে এই প্ৰকল্পৰ সুবিধা গ্ৰহণ কৰিব পাৰে।

আশা কৰা হৈছে যে এই প্ৰকল্পৰ সু-সমাপ্তিৰ লগে লগে ৰাজ্যৰ সকলো সাধাৰণ নাগৰিকৰ বাবে বাজেটৰ কাৰ্য্যকাৰিতা আৰু ৰাজহুৱা ক্ৰয় চুক্তিসমূহ ৰাজহুৱাভাৱে উপলব্ধ হ'ব। তাৰোপৰি, এই প্ৰকল্পৰ আন-এটি উদ্দেশ্য হ'ল বৈদ্যুতিনভাৱে GST বিহীন কৰ আদায় নিশ্চিত কৰা আৰু নাগৰিকসকলে যাতে অনলাইন ব্যৱস্থাৰ সহায়ত কৰ আদায় নথি দাখিল কৰিব পাৰে, তাৰ ব্যৱস্থা গ্ৰহণ কৰা। বৈদ্যুতিনভাৱে আবকাৰী ৰাজহ সংগ্ৰহৰ জৰিয়তে বৰ্ত্তমানৰ ৮০০ কোটিৰ অধিক ৰাজহ সংগ্ৰহ নিশ্চিত কৰাটো এই প্ৰকল্পটোৰ এটা প্ৰধান উদ্দেশ্য।

এই প্ৰকল্পৰ সু-ৰূপায়নৰ বাবে ইতিমধ্যে তিনিটা "প্ৰকল্প ৰূপায়ন গোট" (কৰৰোপন, আবকাৰী আৰু হিচাপ আৰু কোষাগাৰ সঞ্চালকালয় অসম) আৰু এটি প্ৰকল্প ব্যৱস্থাপনা গোট গঠন কৰা হৈছে। এই সম্পূৰ্ণ প্ৰকল্পটো ৫ বছৰীয়া আৰু ৩১ চেপ্টেম্বৰ, ২০২২ তাৰিখৰ ভিতৰত ই সমাপ্ত হোৱাৰ আশা কৰা হৈছে।

অসম চৰকাৰৰ মহাধিবক্তাৰ আইনী ব্যয় লাভ কৰাৰ লগে লগে এই প্ৰকল্প স্বাক্ষৰিত হৈছে আৰু ২৫ চেপ্টেম্বৰ, ২০১৭ তাৰিখৰ পৰা এই প্ৰকল্প প্ৰযোজ্য হৈছে বুলি ইতিমধ্যে ঘোষণা কৰা হৈছে।

## প্ৰকল্প সফলতাৰ সূচক

মূল প্ৰকল্প সফলতাৰ সূচক সমূহ হ'ল ঃ

ক) বিত্তীয় বৰ্ষটোৰ শেষ ত্ৰৈমাষিকত স্বঃনিয়ন্ত্ৰিত ব্যয় হ্ৰাস হোৱা।

খ) বাজেট কাৰ্যকাৰিতা আৰু ৰাজহুৱা প্ৰযুক্তি সমূহৰ সুলভ উপলব্ধি।

গ) বাণিজ্যিক কৰ আৰু আবকাৰিক কৰ সংগ্ৰহ, খৰছ হ্ৰাস।

## মুখ্য হিতাধিকাৰী

এই প্ৰকল্পটোৰ মুখ্যহিতাধিকাৰী সমূহ হ'ল-বিত্ত বিভাগ, কৰৰোপন বিভাগ, আৱকাৰী বিভাগ, তথ্য প্ৰযুক্তি বিভাগৰ লগতে চৰকাৰী যোগানৰ সৈতে জড়িত বিভাগ সমূহ আৰু চৰকাৰী বিষয়ববীয়াসকল। এই প্ৰকল্পৰ জৰিয়তে সমূহ প্ৰশাসনীয় বিভাগ, সঞ্চালকালয় আৰু ক্ষেত্ৰ অনুভূমিক গোট সমূহ বাজেট নিষ্পাদন মূল্য আৰু বিল পৰিশোধৰ স্থিতিৰ তথ্য লাভেৰে লাভান্বিত হ'ব।

এই প্ৰকল্পৰ অধীনত ৰাজহুৱা প্ৰতিষ্ঠান (যেনে- সংগ্ৰহ আৰু আদায়ৰ বৈদ্যুতিন সেৱা, উন্নত ৰাজহুৱা সংগ্ৰহ আৰু কৰ আদায়ৰ বৰ্দ্ধিত সেৱা) আদিৰ দ্বাৰা কাৰ্য্যক্ষম ব্যৱস্থা আৰু উচ্চ বিতৰণ সেৱাৰ জৰিয়তে অসমৰ ৰাইজ যথেষ্ট উপকৃত হ'ব।

## প্ৰকল্পৰ উপাদানসমূহ

উক্ত প্ৰকল্পটো মুঠ তিনিটা উপাদানেৰে গঠিত।

**উপাদান** ১ঃ- ৰাজহুৱা বিত্তীয় প্ৰতিষ্ঠানিক ক্ষমতা সবলীকৰণে ৰাজ্যৰ নিৰ্বাচিত পিএফএম প্ৰতিষ্ঠান সমূহৰ কাৰ্যক্ৰম আৰু গতিবিধি উন্নতিকৰণৰ বাবে সাহায্য আগবঢ়াব।

**উপাদান** ২ঃ- ব্যয় আৰু ৰাজহ ব্যৱস্থাৰ সবলীকৰণ আৰু
**উপাদান** ৩ঃ- প্ৰকল্প ব্যৱস্থাপনা, নিৰীক্ষণ, নিৰূপন আৰু সমন্বয় ৰক্ষা। উপাদান ১ আৰু ৩ য়ে টিএ (TA) আৰু প্ৰকল্প ব্যৱস্থাপনাৰ অধীনত (যেনে-প্ৰতিবেদিত উপযুক্ত ব্যয়ৰ পৰিশোধ) বিত্ত যোগান ধৰিব। উপাদান ২ বিত্তীয় যোগান আৰু ফলাফলৰ বিন্যাস হেতু।

## কাৰ্য্যকৰীকৰণ ব্যৱস্থা

উক্ত প্ৰকল্পটোৰ পৰিকল্পনা ব্যৱস্থাপনাৰ লগতে বিত্তীয় বিভাগৰ বিভিন্ন ৰাজহুৱা বিত্তীয় ব্যৱস্থপনা সংস্কাৰৰ দীৰ্ঘকালীন পৰিকল্পনা আৰু কাৰ্যকৰীকৰণৰ সহক্ৰিয়াৰ বাবে স্পেচিয়েল পাৰপাচ ভেহিকল (SPV), ২৮ ফেব্ৰুৱাৰী ২০১৬ তাৰিখৰ কেবিনেট অনুমোদন সাপেক্ষে ২ মাৰ্চ ২০১৬ ত আসাম চছাইটি ফৰ কম্প্ৰিহেনচিভ ফাইনেন্সিয়েল মেনেজমেন্ট চিষ্টেম (AS-CFMS), নামেৰে পঞ্জীকৃত হ'ল।
(AS-CFMS), হ'ল দুখলপীয়া প্ৰশাসনীক গঠন— অসমৰ সন্মানীয় মুখ্যমন্ত্ৰীৰ পৌৰহিত্যতাত শাসন নিকায় (Governing Body) আৰু অসমৰ মূখ্য সচিবৰ পৌৰহিত্যতাত গঠিত কাৰ্য্যবাহী কমিটি (Executive Committee)

## ASPIRe প্ৰকল্পৰ অধীনৰ প্ৰগতি

- ASPIRe প্ৰকল্পত দুগৰাকী আইএএছ (IAS) পৰ্য্যায়ৰ, এগৰাকী পূৰ্ণকালীন প্ৰকল্প সঞ্চালক আৰু আন গৰাকী অতিৰিক্ত প্ৰকল্প সঞ্চালক আছে।
- উক্ত প্ৰকল্পটোৰ সামগ্ৰিক প্ৰশাসনৰ বাবে অভিজ্ঞ বিশেষজ্ঞ আৰু তৰুণ কাৰ্যবাহী ব্যক্তিৰ সন্তুলনেৰে এটা প্ৰকল্প ব্যৱস্থাপনা গোট গঠন কৰা হৈছে।
- বিত্তীয় ব্যৱস্থাপন তথ্য ব্যৱস্থা (FMIS) ৰ ক্ষেত্ৰত চাৰিটা পৰামৰ্শ প্ৰতিষ্ঠান জিএছটি (GST) প্ৰস্তুতি, আৱকাৰী ই-গৱৰ্নেন্স (e-Governance) সমাধান প্ৰক্ৰিয়া আৰু পিপিপি (PPP) নীতি সংস্কাৰক নিয়োগ কৰা হৈছে।
- **ক্ৰয় সংস্কাৰঃ** "অসম ৰাজহুৱা ক্ৰয় বিধি, ২০১৭" সন্মানীয় সদনত ইতিমধ্যে গৃহীত হৈছে। জেম (GeM), চুইছ চেলেঞ্জ (Swiss Challenge), ৰিভাৰ্চ অকশ্বন (Reverse Auction) আদি শেহতীয়া ক্ৰয় ব্যৱস্থাৰ সৈতে সংগতি ৰাখি প্ৰস্তুত কৰা এই ক্ৰয় বিধি দেশৰ আগশাৰীৰ প্ৰগতিশীল ক্ৰয় বিধি হিচাপে প্ৰস্তুত কৰা হৈছে। ক্ৰয় নিয়মাৱলী আৰু মানসম্পন্ন ডাক ব্যৱস্থা (Standard Bid Documents) ও প্ৰস্তুত কৰি থকা হৈছে।
- **মূলধন আৰু ঋণ ব্যৱস্থাপনা গোট গঠন** ঃ দৈনিক মূলধন আৰু ঋণ আদান প্ৰদান আদিৰ ব্যৱস্থাপনাৰ বাবে বিত্ত বিভাগৰ অধীনত মূলধন আৰু ঋণ ব্যৱস্থাপনা গোট গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। এই গোটক পৰামৰ্শ দান কৰিবলৈ ৰিজাভ বেংকৰ অভিজ্ঞতাসম্পন্ন অৱসৰপ্ৰাপ্ত বিষয়া এগৰাকীক ইতিমধ্যে নিয়োগ কৰা হৈছে।
- **তথ্য আৰু প্ৰযুক্তি উন্নীতকৰণঃ** কৰৰোপন বিভাগৰ হাৰ্ডৱেৰ আৰু নেটৱৰ্কীং প্ৰযুক্তি ক্ৰয়ৰ বাবে ইতিমধ্যে নিৰ্দিষ্ট বিক্ৰেতাক দায়িত্ব প্ৰদান কৰা হৈছে। পৰ্য্যায়ক্ৰমে হিচাপ আৰু কোষাগাৰ সঞ্চালকালয়ৰ বাবেও এই ব্যৱস্থা গ্ৰহণৰ প্ৰাৰম্ভিকতা ইতিমধ্যে সম্পন্ন কৰা হৈছে।
- **চৰকাৰী ই-বজাৰঃ** জিইএম (GeM) প্ৰযুক্তিৰ কাৰ্য্যকাৰিতাত ASPIRe হ'ল অগ্ৰণী কাৰ্য্যকৰ্তা। বিগত জুন মাহত বিত্তীয় ব্যৱস্থাপনা ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান (NIFM) ৰ সহযোগত ইতিমধ্যে প্ৰশিক্ষকৰ বাবে প্ৰশিক্ষণ (Training for Trainers) প্ৰকল্প ৰূপায়ন কৰা হৈছে যাৰ অধীনত ইতিমধ্যে চৰকাৰী বিষয়াৰ প্ৰশিক্ষণ সম্পন্ন কৰা হৈছে। বিগত আগষ্ট মাহত (GeM) প্ৰযুক্তিৰ অধীনত ইতিমধ্যে ক্ৰয় কাৰ্য্য সম্পন্ন কৰা হৈছে।